**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 14-08-2024 **Time :** 1800 Hrs.

***Assamese Evening Bulletin***

দেশৰ বিভিন্ন স্থানত কাইলৈ ৭৮ সংখ্যক স্বাধীনতা দিৱস উদযাপন কৰা হ'ব। দিল্লীৰ লালকিল্লাত কাইলৈ হ'বলগীয়া স্বাধীনতা দিৱসত অংশগ্ৰহণ কৰি প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে ৰাষ্ট্ৰীয় পতাকা উত্তোলন কৰিব। প্ৰধানমন্ত্ৰী শ্ৰী মোদীয়ে লগতে দেশবাসীক উদ্দেশ্যি ভাষণ দিব। লালকিল্লাত হ'বলগীয়া স্বাধীনতা দিৱসৰ কাৰ্যসূচীলৈ বিভিন্ন দেশৰ প্ৰতিনিধিৰ লগতে পেৰিছ অলিম্পিকত অংশগ্ৰহণকাৰী খেলুৱৈসকলক আমন্ত্ৰণ জনোৱা হৈছে। এই অনুষ্ঠানলৈ বিভিন্ন ক্ষেত্ৰৰ ৬ হাজাৰ বিশিষ্ট ব্যক্তিক বিশেষ অতিথি হিচাপে আমন্ত্ৰণ জনোৱা হৈছে। ইপিনে অসমতো কাইলৈ স্বাধীনতা দিৱস উদযাপন কৰা হ'ব। মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই গুৱাহাটীৰ খানাপাৰা পশু চিকিৎসা মহাবিদ্যালয় খেলপথাৰত আয়োজিত কেন্দ্ৰীয় কাৰ্যসূচীত অংশগ্ৰহণ কৰি ৰাষ্ট্ৰীয় পতাকা উত্তোলন কৰিব।

গুৱাহাটীত চৰকাৰী কাৰ্যসূচী কাইলৈ পুৱা চাৰে ৪ বজাত **প্ৰভাতী গীতাঞ্জলি**ৰে আৰম্ভ কৰাৰ পাছত ৭ বজাত চৰকাৰে কাৰ্যবাহীসকলৰ বাসভৱনত আৰু চাৰে ৭ বজাত সকলো চৰকাৰী, অৰ্ধচৰকাৰী কাৰ্যালয় আৰু শিক্ষানুষ্ঠানত ৰাষ্ট্ৰীয় পতাকা উত্তোলন কৰা হ'ব। পুৱা ৭ বাজি ৪৫ মিনিটৰ পৰা কুচকাৱাজত ভাগ ল'বলগীয়া দলসমূহ আৰু ৮ বাজি ১৫ মিনিটৰ পৰা নিমন্ত্ৰিত অতিথি তথা জনসাধাৰণ খানাপাৰা পশু চিকিৎসা মহাবিদ্যালয় খেলপথাৰত উপস্থিত হোৱাৰ পাছত পুৱা ৯ বজাত মুখ্যমন্ত্ৰীয়ে ৰাষ্ট্ৰীয় পতাকা উত্তোলন কৰাৰ লগতে অভিবাদন গ্ৰহণ কৰিব। এই অনুষ্ঠানত অসম আৰক্ষী আৰু অৰ্ধসামৰিক বাহিনীয়ে কুচকাৱাজ প্ৰদৰ্শন কৰিব। পতাকা উত্তোলন কাৰ্যসূচীৰ পাছত পুৱা ১০ বজাত গুৱাহাটী কেন্দ্ৰীয় কাৰাগাৰৰ কাৰাবন্দী, ৰাজ্যিক কৰ্কট প্ৰতিষ্ঠান, গুৱাহাটী চিকিৎসা মহাবিদ্যালয়, বি বৰুৱা কৰ্কট চিকিৎসালয় আৰু যক্ষ্মা চিকিৎসালয়ৰ ৰোগীসকলৰ লগতে বিভিন্ন অনাথ আশ্ৰম, মুক-বধিৰ বিদ্যালয় আদিৰ ছাত্ৰ-ছাত্ৰীৰ মাজত আৰু আন ভিন ভিন অনুষ্ঠান-প্ৰতিষ্ঠানত ফলমূল আদি বিতৰণ কৰা হ'ব। স্বাধীনতা দিৱসৰ কাৰ্যসূচীৰ অংশ হিচাপে সন্ধিয়া চাৰে ৬ বজাত চৰকাৰী কাৰ্যালয়, নাগৰিকৰ বাসগৃহ আদিত বন্তি প্ৰজ্বলন কৰা হ'ব।

ইপিনে, ৰাজ্য চৰকাৰৰ মন্ত্ৰীসকলৰ লগতে স্বায়ত্তশাসিত পৰিষদসমূহৰ মুখ্য কাৰ্যবাহী সদস্যসকলে বিভিন্ন ঠাইত ৰাষ্ট্ৰীয় পতাকা উত্তোলন কৰিব। মন্ত্ৰী ৰঞ্জিত কুমাৰ দাসে বঙাইগাঁৱত, অতুল বৰাই নগাঁৱত, উৰ্খাও গৌড়া ব্ৰহ্মই দৰঙত, চন্দ্ৰমোহন পাটোৱাৰীয়ে কামৰূপত, কেশৱ মহন্তই হোজাইত, ডাঃ ৰণোজ পেগুৱে লখিমপুৰত, অশোক সিংহলে শোণিতপুৰত, যোগেন মহনে যোৰহাটত, সঞ্জয় কিষাণে তিনিচুকীয়াত, অজন্তা নেওগে গোলাঘাটত, পীযুষ হাজৰিকাই গোৱালপাৰাত, বিমল বৰাই ডিব্ৰুগড়ত, নন্দিতা গাৰ্লোছাই শিলচৰত, জয়ন্ত মল্লবৰুৱাই নলবাৰীত পতাকা উত্তোলন কৰিব। আনহাতে, বিটিআৰৰ মুখ্য কাৰ্যবাহী প্ৰমোদ বড়োৱে কোকৰাঝাৰত, কাৰ্বিআংলং স্বায়ত্ত পৰিষদৰ মুখ্য কাৰ্যবাহী তুলিৰাম ৰংহাঙে ডিফুত, উত্তৰ কাছাৰ পাৰ্বত্য স্বায়ত্ত শাসিত পৰিষদৰ মুখ্য কাৰ্যবাহী সদস্য দেৱলাল গাৰ্লোছাই হাফলঙত, বিটিআৰৰ উপ-মুখ্য কাৰ্যবাহী সদস্য গোবিন্দ চন্দ্ৰ বসুমতাৰীয়ে ওদালগুৰিত আৰু অসম বিধানসভাৰ উপাধ্যক্ষ ডাঃ নোমল মমিনে চৰাইদেউত পতাকা উত্তোলন কৰিব। আকাশবাণী গুৱাহাটী কেন্দ্ৰটো স্বাধীনতা দিৱস উপলক্ষে বিভিন্ন কাৰ্যসূচী গ্ৰহণ কৰা হৈছে।

০০০০০০০০০

কেন্দ্ৰীয় চৰকাৰে স্বাধীনতা দিৱস উপলক্ষে আৰক্ষী, অগ্নিনিৰ্বাপক, গৃহৰক্ষী তথা অসামৰিক প্ৰতিৰক্ষা আৰু সংশোধনী সেৱাৰ এহেজাৰ ৩৭ জন জোৱানক বীৰত্ব আৰু সেৱাৰ পদক প্ৰদান কৰিছে।

অসম আৰক্ষীৰ ১৪ গৰাকী বিষয়া জোৱানলৈ এইবাৰ বিশিষ্ট আৰু উৎকৃষ্ট সেৱাৰ বাবে পদক আগবঢ়োৱা হৈছে। অসম আৰক্ষীৰ উপ মহাপৰিদৰ্শক ৰত্না সিংহই উল্লেখনীয় সেৱাৰ বাবে ৰাষ্ট্ৰপতি পদক লাভ কৰে। আনহাতে

অসম আৰক্ষীৰ উপ মহাপৰিদৰ্শক বিজয় গিৰি কুলিগাম, আৰক্ষী অধীক্ষক মিহিৰজিৎ গায়ন, আৰক্ষী অধীক্ষক সিংহৰাম মিলি, উপ পৰিদৰ্শক ত্ৰৈলোক্য শৰ্মা, নায়ক বিজু লহকৰ, উপ পৰিদৰ্শক বিপুল শইকীয়া, নায়ক প্ৰফুল্ল ডেকা, সহকাৰী উপ পৰিদৰ্শক কামিনী ডেকা, নায়ক শৈলেন কাকতি, পৰিদৰ্শক মনোজ কুমাৰ সিং, নায়ক কান্ত সিংহ আৰু নায়ক ইনামুল হকক বিশিষ্ট সেৱাৰ পদকৰ বাবে নিৰ্বাচিত কৰা হয়।

০০০০০০০

হৰ ঘৰ তিৰংগা কাৰ্যসূচীৰ অংশ হিচাপে আজিও ৰাজ্যৰ বিভিন্ন প্ৰান্তত অনুষ্ঠানৰ আয়োজন কৰা হয়। লখিমপুৰ, ডিব্ৰুগড়, তিনিচুকীয়া, চৰাইদেউ, কাৰ্বি আংলং, যোৰহাট, মৰিগাঁৱকে ধৰি কেইবাখনো জিলাত প্ৰশাসনৰ উদ্যোগত আজি পুৱাৰ ভাগত ত্ৰিৰংগা দৌৰ অনুষ্ঠিত হয়। আনহাতে, চাফাই অভিযানৰো আয়োজন কৰা হয়।

০০০০০০০

তিনিচুকীয়া জিলাত ৰাষ্ট্ৰীয় শিশু শিক্ষা নীতি ২০২০ৰ আধাৰত প্ৰাক্ শৈশৱকালীন যতন আৰু শিক্ষাৰ ছমহীয়া পাঠ্যক্ৰম ৰূপায়ণৰ আজি শুভাৰম্ভ কৰা হয়। তিনিচুকীয়া জিলা মহিলা আৰু শিশু উন্নয়ন বিভাগৰ সৌজন্যত বৰগুৰিত এই সম্পৰ্কে এটা অনুষ্ঠান আয়োজিত হয়। এই অনুষ্ঠানত মহিলা আৰু শিশু উন্নয়ন বিভাগৰ উপ-সঞ্চালক কুঞ্জলতা লাচনে অংশগ্ৰহণ কৰে। উল্লেখযোগ্য যে অহা ১৯ আগষ্টৰ পৰা হ'বলগীয়া দ্বাদশ শ্ৰেণী উত্তীৰ্ণ অংগনৱাড়ী কৰ্মীসকলৰ এই পাঠ্যক্ৰমত ৫৪৮ গৰাকী কৰ্মীয়ে ভাগ ল'ব।

০০০০০০০

**সমাপ্ত**